www.dailyassam

পঞ্চম অধ্যায়




# বজাৰ ভাৰসাম্য
# [MARKET EQUILIBRIUM]

এই অধ্যায়টো অধ্যায় 2 আৰু 4 ত অধ্যয়ন কৰি অহা দাম গ্ৰহণকাৰী উপভোক্তা আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ আচৰণৰ ভিত্তিত যুগুত কৰা হৈছে। অধ্যায় 2 ত আমি বুজিলো যে দাম দিয়া থকা বুলি ধৰি লৈ এজন উপভোক্তাৰ এটা সামগ্ৰীৰ চাহিদা ৰেখাই উপভোক্তাজনে বিভিন্ন দামত সামগ্ৰীটোৰ কিমান পৰিমাণ কিনিবলৈ ইচ্ছা কৰে সেইটো দেখুৱায়। আকৌ, প্ৰত্যেকে দাম নিৰ্দিষ্ট বুলি ধৰি লোৱা অৱস্থাত, বজাৰ চাহিদা ৰেখাই বিভিন্ন দামত সকলো উপভোক্তাই সামগ্ৰীটোৰ কিমান পৰিমাণ কিনিব ইচ্ছা কৰে, সেয়া দেখুৱায়। অধ্যায় 4 ত আমি বুজিলো যে দাম নিৰ্দিষ্ট হৈ থকা বুলি ধৰি লৈ এখন ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখাই বিভিন্ন দামত লাভ সৰ্বোচ্চকাৰী প্ৰতিষ্ঠান এখনে কিমান পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰিবলৈ বিচাৰে সেইটো দেখুৱায় আৰু প্ৰতিখন প্ৰতিষ্ঠানে দাম নিৰ্দিষ্ট বুলি ধৰি লোৱা অৱস্থাত বজাৰ যোগান ৰেখাই বিভিন্ন দামত সকলো প্ৰতিষ্ঠানে সামগ্ৰীটোৰ কিমান পৰিমাণ বিক্ৰী কৰিব বিচাৰে সেয়া দেখুৱায়।

এই অধ্যায়ত চাহিদা-যোগান বিশ্লেষণৰ জৰিয়তে বজাৰ ভাৰসাম্য অধ্যয়ন কৰিবলৈ উপভোক্তা আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ আচৰণ একেলগ কৰিম আৰু কি দামত ভাৰসাম্য অৰ্জন হ'ব তাক নিৰ্ণয় কৰিম। চাহিদা আৰু যোগানৰ স্থানান্তৰ (Shift) ৰ ফলত ভাৰসাম্যৰ ওপৰত পৰা প্ৰভাৱবোৰো পৰীক্ষা কৰিম। অধ্যায়টোৰ শেষত চাহিদা-যোগান বিশ্লেষণৰ কিছুমান ব্যৱহাৰিক দিশৰ ওপৰত আলোকপাত কৰা হ'ব।

## 5.1. ভাৰসাম্য, অতিৰিক্ত চাহিদা, অতিৰিক্ত যোগান (Equilibrium, Excess Demand, Excess Supply) ঃ

স্ব-নিৰ্ধাৰিত উদ্দেশ্যৰে পৰিচালিত ক্ৰেতা আৰু বিক্ৰেতাৰ দ্বাৰা এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ গঠিত হয়। অধ্যায় 2 আৰু 4 ৰ পৰা মনত পেলোৱাচোন যে উপভোক্তাৰ উদ্দেশ্য হ'ল তেওঁলোকৰ সন্তুষ্টি সৰ্বাধিক কৰা আৰু প্ৰতিষ্ঠানবোৰৰ উদ্দেশ্য হ'ল সিহঁতৰ লাভ সৰ্বোচ্চ কৰা। ভাৰসাম্য অৱস্থাত উপভোক্তা আৰু প্ৰতিষ্ঠানৰ উদ্দেশ্যবোৰ মিলিত হৈ পৰে।

এটা ভাৰসাম্য অৱস্থা হ'ল সেই অৱস্থা য'ত সকলো উপভোক্তা আৰু প্ৰতিষ্ঠানৰ উদ্দেশ্যসমূহ মিলিত হৈ পৰে আৰু বজাৰ সম্পাদিত হয়। ভাৰসাম্য অৱস্থাত সকলো

www.dailyassam

প্ৰতিষ্ঠানে বিক্ৰী কৰিব বিচৰা সৰ্বমুঠ সামগ্ৰীৰ পৰিমাণ বজাৰত সকলো উপভোক্তাই কিনিব বিচৰা পৰিমাণৰ সমান হয়; আন কথাত ক'বলৈ হ'লে বজাৰ যোগান (Market Supply) আৰু বজাৰ চাহিদা (Market Demand) সমান হয়। যি দামত ভাৰসাম্য অৰ্জন হয়, তাক ভাৰসাম্য দাম (Equilibrium Price) আৰু এই দামত কিনা-বেচা হোৱা পৰিমাণক ভাৰসাম্য পৰিমাণ (Equilibrium Quantity) বুলি কোৱা হয়। সেই কাৰণে ($p^*$, $q^*$) এটা ভাৰসাম্য অৱস্থা হ'ব যদিহে—

$$q^D(p^*) = q^s(p^*)$$

য'ত $p^*$ এ ভাৰসাম্য দাম আৰু $q^D(p^*)$ আৰু $q^s(p^*)$ এ $p^*$ দামত সামগ্ৰীবিধৰ ক্ৰমে বজাৰ চাহিদা আৰু বজাৰ যোগান বুজাইছে।

যদি কোনো দামত বজাৰ যোগান বজাৰ চাহিদাতকৈ অধিক হয়, তেতিয়া আমি কওঁ যে সেই দামত বজাৰত অতিৰিক্ত যোগান (Excess Supply) থাকে আৰু যদি কোনো দামত বজাৰ চাহিদা বজাৰ যোগানতকৈ অধিক হয়, তেন্তে সেই দামত বজাৰত অতিৰিক্ত চাহিদা (Excess Demand) ৰ উদ্ভৱ হয় বুলি কোৱা হয়। সেই কাৰণে, এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসাম্যতাক এক শূন্য অতিৰিক্ত চাহিদা শূন্য অতিৰিক্ত যোগান অৱস্থা বুলি অভিহিত কৰিব পাৰি। যেতিয়া বজাৰ যোগান বজাৰ চাহিদাৰ সমান নহয় আৰু সেইবাবে বজাৰ ভাৰসাম্য অৱস্থাত নাথাকে, তেতিয়া দাম পৰিৱৰ্তন হোৱাৰ এক প্ৰৱণতা থকা দেখা যায়। পিছৰ অংশ দুটাত কিহৰ বাবে এই ধৰণৰ পৰিৱৰ্তন হয়, তাক বুজাৰ চেষ্টা কৰিম।

**ভাৰসাম্যহীনতাৰ আচৰণ (Out of Equilibrium Behaviour)**

বজাৰত ভাৰসাম্য নোহোৱা হ'লে এখন পূৰ্ণ প্ৰতিযোগী বজাৰত এখন 'অদৃশ্য হাত' (Invisible Hand) এ কাম আৰম্ভ কৰি দামৰ পৰিৱৰ্তন সংঘটিত কৰে বুলি আদাম স্মিথ (1723-1790)ৰ দিনৰ পৰাই ভাবি অহা হৈছে। এই 'অদৃশ্য হাতে' 'অতিৰিক্ত চাহিদা'ৰ সময়ত দাম বৃদ্ধি আৰু অতিৰিক্ত যোগানৰ সময়ত দাম হ্ৰাস কৰিব লাগে বুলি আমাৰ মনেও কয়। আমাৰ গোটেই আলোচনাতে আমি অদৃশ্য হাতে এই গুৰুত্বপূৰ্ণ ভূমিকাটো পালন কৰি যায় বুলি ধৰি ল'ম। তাৰোপৰি আমি ইয়াকো ধৰি ল'ম যে অদৃশ্য হাতে এই পদ্ধতিৰ জৰিয়তে ভাৰসাম্য অৰ্জন কৰিবলৈ সক্ষম হয়। এই অভিধাৰণাটো পাঠ্যত আলোচনা কৰা সকলো ক্ষেত্ৰত প্ৰযোজ্য হয় বুলি ভাবি লোৱা হ'ব।

### 5.1.1 বজাৰ ভাৰসাম্য ঃ নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠান (Market Equilibrium : Fixed Number of Firms)

মনত পেলোৱাচোন 2 নং অধ্যায়ত দাম গ্ৰহণকাৰী উপভোক্তাৰ বাবে বজাৰ চাহিদা ৰেখা নিৰ্ণয় কৰিছো আৰু নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠানৰ অভিধাৰণাৰ-ভিত্তিত 4 নং অধ্যায়ত দাম গ্ৰহণকাৰী প্ৰতিষ্ঠানৰ বাবে বজাৰ যোগান ৰেখা নিৰ্ণয় কৰিছো। প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থাকিলে বজাৰ ভাৰসাম্য নিৰ্ণয় কৰিবলৈ যোগান আৰু চাহিদা শক্তিয়ে কেনেকৈ একেলগে কাৰ্য কৰে, তাক এই ৰেখা দুডালৰ সহায়ত এই অংশটোত আমি পৰীক্ষা কৰিম। চাহিদা আৰু যোগান ৰেখাৰ স্থানান্তৰৰ ফলত কেনেকৈ ভাৰসাম্য দাম আৰু পৰিমাণ পৰিৱৰ্তন হয়, সেয়াও আলোচনা কৰিম।

চিত্ৰ 5.1. এ নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠান থকা এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসাম্য দেখুৱায়। ইয়াত SSএ এটা সামগ্ৰীৰ বজাৰ যোগান ৰেখা আৰু DD-এ সামগ্ৰীটোৰ বজাৰ চাহিদা ৰেখা বুজাইছে। বিভিন্ন দামত প্ৰতিষ্ঠানবোৰে সামগ্ৰীটোৰ কিমান কিমান পৰিমাণ যোগান ধৰিবলৈ ইচ্ছা কৰিব, তাক SS বজাৰ যোগান ৰেখাই দেখুৱায় আৰু বিভিন্ন দামত উপভোক্তাবোৰে সামগ্ৰীটোৰ কিমান কিমান পৰিমাণ কিনিবলৈ ইচ্ছা কৰিব, সেইটো DD চাহিদা ৰেখাই দেখুৱায়। ৰৈখিকভাৱে ভাৰসাম্য হ'ল সেই বিন্দু য'ত বজাৰ যোগান ৰেখা আৰু বজাৰ চাহিদা ৰেখাই কটাকটি কৰে কাৰণ এনে অৱস্থাত বজাৰ চাহিদা আৰু বজাৰ যোগান সমান হয়। অন্য যিকোনো বিন্দুত অতিৰিক্ত যোগান বা অতিৰিক্ত চাহিদাৰ উদ্ভৱ হয়। বজাৰ চাহিদা বজাৰ যোগানৰ সমান নহ'লে কি হয় চাবলৈ চিত্ৰ 5.1. ত ইহঁত সমান নোহোৱা যিকোনো এটা দাম চাওঁ আহা।




***Fig. 5.1***

**নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠানৰ বজাৰ ভাৰসাম্য ঃ** বজাৰ চাহিদা ৰেখা DD আৰু বজাৰ যোগান ৰেখা SS-ৰ কটাকটি স্থলত ভাৰসাম্য লাভ হয়। $q^*$ হ'ল ভাৰসাম্য পৰিমাণ আৰু $p^*$ হ'ল ভাৰসাম্য দাম। $p^*$ তকৈ অধিক দামত অতিৰিক্ত যোগান আৰু $p^*$ তকৈ কম দামত অতিৰিক্ত চাহিদাৰ উদ্ভৱ হয়।

চিত্ৰ 5.1. ত প্ৰচলিত দাম $p_1$ হ'লে বজাৰ চাহিদা $q_1$ আৰু বজাৰ যোগান হয় $q'_1$ । সেইবাবে বজাৰত $q'_1q_1$ অতিৰিক্ত চাহিদা থকা দেখা যায়। সামগ্ৰীবিধ একেবাৰে সংগ্ৰহ কৰিব নোৱাৰা বা দৰকাৰতকৈ কম পৰিমাণে সংগ্ৰহ কৰা কিছুমান উপভোক্তাই $p_1$ তকৈ বেছি দাম দিব বিচাৰিব। গতিকে বজাৰ দাম বৃদ্ধি হ'ব। আন আন অৱস্থাবোৰ স্থিৰ হৈ থাকিলে দাম বৃদ্ধিৰ ফলত চাহিদাৰ পৰিমাণ হ্ৰাস পায়, যোগানৰ পৰিমাণ বৃদ্ধি হয় আৰু বজাৰ সেই অৱস্থালৈ গতি কৰে য'ত প্ৰতিষ্ঠানবোৰে বিক্ৰী কৰিব বিচৰা পৰিমাণ উপভোক্তাসকলে কিনিব বিচৰা পৰিমাণৰ সমান হয়। $p^*$ দামত প্ৰতিষ্ঠানৰ যোগান সিদ্ধান্ত উপভোক্তাৰ চাহিদা সিদ্ধান্তৰ সৈতে মিলিত হয়।

এইদৰে $p_2$ প্ৰচলিত দামত বজাৰ যোগান ($q_2$) বজাৰ চাহিদা ($q'_1$) তকৈ অধিক হয় যাৰ ফলত $q'_2q_2$ অতিৰিক্ত যোগানৰ উদ্ভৱ হয়। এনে পৰিস্থিতিত কিছুমান প্ৰতিষ্ঠানে বিক্ৰী কৰিব বিচৰা আটাইখিনি সামগ্ৰী বিক্ৰী কৰিবলৈ সমৰ্থ নহয়; সেয়েহে সেইবোৰ প্ৰতিষ্ঠানে দাম কমাই দিয়ে। আন অৱস্থাবোৰ স্থিতাৱস্থাত থাকিলে, দাম হ্ৰাস হোৱাৰ ফলত চাহিদাৰ পৰিমাণ বৃদ্ধি হয়, যোগানৰ পৰিমাণ হ্ৰাস পায় আৰু $p^*$ দামত বজাৰ চাহিদা বজাৰ যোগানৰ সমান হয় বাবে প্ৰতিষ্ঠানবোৰে বিক্ৰী কৰিব বিচৰা আটাইখিনি সামগ্ৰী বিক্ৰী কৰিব পাৰে। সেই কাৰণে $p^*$ হ'ল ভাৰসাম্য দাম আৰু তাৰ লগত জড়িত $q^*$ পৰিমাণ হ'ল ভাৰসাম্য পৰিমাণ।

ভাৰসাম্য দাম আৰু পৰিমাণ নিৰ্ণয় প্ৰক্ৰিয়া স্পষ্টভাৱে বুজিবলৈ এটা উদাহৰণৰ সহায়ত ইয়াক ব্যাখ্যা কৰোঁ আহা।

---

[1] ইয়াত সদৃশ বুলি সকলো কৃষি প্ৰতিষ্ঠানৰ ব্যয় গাঁথনি একে বুজোৱা হৈছে।

উদাহৰণ ———— 5.1.

আমি একেই গুণবিশিষ্ট ঘেঁহু উৎপাদনকাৰী সদৃশ (Identical) কৃষি প্ৰতিষ্ঠান থকা এখন বজাৰৰ উদাহৰণ আলোচনা কৰো আহা। ধৰা হ'ল, ঘেঁহুৰ বজাৰ চাহিদা ৰেখা আৰু বজাৰ যোগান ৰেখা হৈছে ঃ

$q^D = 200 - p$  $0 \le p \le 200$ ৰ বাবে

$= 0$  $p > 200$ ৰ বাবে

$q^s = 120 + p$  $p \ge 10$ ৰ বাবে

$= 0$  $0 \le p < 10$ ৰ বাবে

য'ত $q^D$ আৰু $q^s$ বে ক্ৰমে ঘেঁহুৰ চাহিদা আৰু যোগান (কি.গ্ৰা.ত) বুজোৱা হৈছে আৰু p-এ টকাৰ হিচাপত প্ৰতি কি. গ্ৰা. ঘেঁহুৰ দাম বুজাইছে।

যিহেতু ভাৰসাম্য দামত বজাৰ সম্পাদিত হয়, সেয়েহে আমি বজাৰ চাহিদা আৰু বজাৰ যোগান সমান কৰি লৈ $p^*$ ৰ বাবে সমাধান কৰি ভাৰসাম্য দাম ($p^*$ বে বুজোৱা) উলিয়াই লওঁ ঃ

$q^D(p^*) = q^s(p^*)$

$200 - p^* = 120 + p^*$

ৰাশিবিলাক সাল-সলনি কৰি—

$2p^* = 80$

$p^* = 40$

সেইবাবে প্ৰতি কি.গ্ৰা. ঘেঁহুৰ ভাৰসাম্য দাম হ'ল 40 টকা। ভাৰসাম্য অৱস্থাত চাহিদাৰ পৰিমাণ আৰু যোগানৰ পৰিমাণ সমান হয় বাবে ভাৰসাম্য দামটো চাহিদা বা যোগান ৰেখাৰ সমীকৰণত বহুৱাই ভাৰসাম্য পৰিমাণ ($q^*$বে বুজোৱা) পাব পাৰি।

$q^D = q^* = 200 - 40 = 160$

বিকল্পভাৱে $q^s = q^* = 120 + 40 = 160$

গতিকে, ভাৰসাম্য পৰিমাণ হ'ল 160 কি.গ্ৰা।

$p^*$ তকৈ কম, যেনে— $p_1 = 25$ দামত

$q^D = 200 - 25 = 175$

$q^S = 120 + 25 = 145$

সেই কাৰণে, $p_1 = 25$ ত $q^D > q^S$ যিয়ে এই দামত অতিৰিক্ত চাহিদা থকা সূচায়।

বীজগাণিতিকভাৱে অতিৰিক্ত চাহিদা (ED) এনেদৰে প্ৰকাশ কৰিব পাৰি

$ED(p) = q^D - q^S$

$= 200 - p - (120 + p)$

$= 80 - 2p$

ওপৰৰ বক্তব্যটোৰ পৰা লক্ষ্য কৰা যে $p^*$ (=40) তকৈ কম যিকোনো দামত অতিৰিক্ত চাহিদা ধনাত্মক হ'ব।

একেদৰে, $p^*$ তকৈ অধিক যেনে $p_2 = 45$ দামত

$q^D = 200 - 45 = 155$

$q^S = 120 + 45 = 165$

গতিকে, $q^S > q^D$ হোৱা বাবে এই দামত অতিৰিক্ত যোগানৰ সৃষ্টি হ'ব। বীজগাণিতিকভাৱে,

www.dailyassam

অতিৰিক্ত যোগান (ES) এনেদৰে প্ৰকাশ কৰিব পাৰি—

$$ES(p) = q^S - q^D$$
$$= 120 + p - (200 - p)$$
$$= 2p - 80$$

ওপৰৰ বক্তব্যটোৰ পৰা মন কৰা যে p* (=40) তকৈ অধিক যিকোনো দামত অতিৰিক্ত যোগান ধনাত্মক হ'ব।

সেইকাৰণে, p* তকৈ বেছি যিকোনো দামত অতিৰিক্ত যোগান আৰু p* তকৈ কম যিকোনো দামত অতিৰিক্ত চাহিদাৰ সৃষ্টি হ'ল।

### শ্ৰমৰ বজাৰত মজুৰি নিৰ্ধাৰণ (Wage Determination in Labour Market)

ইয়াত আমি চাহিদা-যোগান বিশ্লেষণৰ যোগেদি এখন পূৰ্ণভাৱে প্ৰতিযোগিতামূলক বজাৰ গাঁথনিত মজুৰি নিৰ্ধাৰণ তত্ত্ব চমুকৈ আলোচনা কৰিম। এখন শ্ৰমৰ বজাৰ আৰু এখন দ্ৰব্যৰ বজাৰৰ মাজত যোগান আৰু চাহিদাৰ উৎসৰ ক্ষেত্ৰত মৌলিক পাৰ্থক্য থাকে। শ্ৰমৰ বজাৰত পৰিয়ালবোৰ হ'ল শ্ৰমৰ যোগান ধৰোতা আৰু শ্ৰমৰ চাহিদা সৃষ্টি কৰে উৎপাদন প্ৰতিষ্ঠানবোৰে। কিন্তু দ্ৰব্যৰ বজাৰত ইয়াৰ ওলোটা হয়। ইয়াত এইটো লক্ষ্য কৰা দৰকাৰী যে শ্ৰম বুলি কওঁতে শ্ৰমিকে আগবঢ়োৱা কৰ্মৰ সময় বুজোৱা হৈছে শ্ৰমিকৰ সংখ্যা নহয়। শ্ৰমৰ চাহিদা আৰু যোগান ৰেখাৰ কটাকটি স্থলত মজুৰিৰ হাৰ নিৰ্ধাৰণ কৰা হয় য'ত শ্ৰমৰ চাহিদা আৰু যোগান সমান হয়। এতিয়া আমি শ্ৰমৰ চাহিদা আৰু যোগান ৰেখা কেনেকুৱা হয় চাওঁ।

এখন মাত্ৰ উৎপাদন প্ৰতিষ্ঠানৰ শ্ৰমৰ চাহিদা পৰীক্ষা কৰিবলৈ আমি ধৰি ল'ম যে শ্ৰম হৈছে উৎপাদনৰ একমাত্ৰ পৰিৱৰ্তনশীল উপাদান আৰু শ্ৰমৰ বজাৰ সম্পূৰ্ণ প্ৰতিযোগিতামূলক যিয়ে আকৌ প্ৰতিখন প্ৰতিষ্ঠানৰ মজুৰিৰ হাৰ স্থিৰ আৰু নিৰ্দিষ্ট হৈ থকাটো বুজাব। আকৌ, আমি আলোচনা কৰিবলগীয়া প্ৰতিষ্ঠানখন প্ৰকৃতিগতভাৱে পূৰ্ণ প্ৰতিযোগিতামূলক আৰু ই লাভৰ পৰিমাণ সৰ্বাধিক কৰাৰ লক্ষ্যৰে উৎপাদন কাৰ্য চলায়। আমি ইয়াত ধৰি ল'ম যে প্ৰতিষ্ঠানখনৰ কাৰিকৰী কৌশল নিৰ্দিষ্ট হৈ থকা অৱস্থাত ক্ৰমহ্ৰাসমান প্ৰান্তিক উৎপাদন বিধি (Law of Diminishing Marginal Product) প্ৰযোজ্য হয়।

প্ৰতিষ্ঠানখন লাভ সৰ্বোচ্চকাৰী হোৱা বাবে ই সেই অৱস্থালৈ শ্ৰম নিযুক্ত কৰিব য'ত শ্ৰমৰ অন্তিম গোট নিযুক্ত কৰাৰ অতিৰিক্ত খৰচ সেই গোটটোৰ পৰা পোৱা অতিৰিক্ত লাভৰ সমান হ'ব। শ্ৰমৰ এটা বেছি গোট আহৰণ কৰাৰ অতিৰিক্ত খৰচেই হ'ল মজুৰিৰ হাৰ (W)। শ্ৰমৰ এটা বেছি গোটে উৎপাদন কৰা অতিৰিক্ত পৰিমাণখিনিয়েই হ'ল তাৰ প্ৰান্তিক উৎপাদন ($MP_L$) আৰু প্ৰতিটো অতিৰিক্ত পৰিমাণ বিক্ৰী কৰি পোৱা অতিৰিক্ত উপাৰ্জনখিনিয়েই হ'ল প্ৰতিষ্ঠানখনৰ সেই গোটটোৰ পৰা পোৱা প্ৰান্তিক বিক্ৰী আয় (MR)। সেইকাৰণে, শ্ৰমৰ প্ৰতিটো অতিৰিক্ত গোটৰ বাবে প্ৰতিষ্ঠানখনে প্ৰান্তিক বিক্ৰী আয় আৰু প্ৰান্তিক উৎপাদনৰ পূৰণফলৰ সমান অতিৰিক্ত লাভ অৰ্জন কৰিব যাক শ্ৰমৰ প্ৰান্তিক আয়মূলক উৎপাদন (Marginal Revenue Product of Labour ($MRP_L$)) বুলি কোৱা হয়। গতিকে, শ্ৰম আহৰণ কৰাৰ সময়ত প্ৰতিষ্ঠানখনে সেই বিন্দুলৈ শ্ৰম নিয়োগ কৰিব য'ত—

www.dailyassam

$$w = MRP_L$$

আৰু $MRP_L = MR \times MP_L$

আমি যিহেতু এখন পূৰ্ণ প্ৰতিযোগী প্ৰতিষ্ঠানৰ কথা আলোচনা কৰি আছো, গতিকে প্ৰান্তিক বিক্ৰী আয় সামগ্ৰীৰ দামৰ সমান হ'ব[a] আৰু সেইবাবে এই ক্ষেত্ৰত শ্ৰমৰ প্ৰান্তিক আয়মূলক উৎপাদন শ্ৰমৰ প্ৰান্তিক উৎপাদনৰ মূল্য [Value of Marginal Product ($VMP_L$)] ৰ সমান হ'ব।

যেতিয়ালৈকে শ্ৰমৰ প্ৰান্তিক উৎপাদনৰ মূল্য ($VMP_L$) মজুৰিৰ হাৰতকৈ বেছি হৈ থাকিব, তেতিয়ালৈকে প্ৰতিষ্ঠানখনে শ্ৰমৰ অতিৰিক্ত গোটবোৰ আহৰণ কৰি বেছি লাভ উপাৰ্জন কৰিব আৰু যদি কোনো শ্ৰম নিযুক্তি অৱস্থাত শ্ৰমৰ প্ৰান্তিক উৎপাদনৰ মূল্য ($VMP_L$) মজুৰিৰ হাৰতকৈ কম হয়, তেন্তে প্ৰতিষ্ঠানখনে শ্ৰমৰ নিযুক্তিৰ পৰিমাণ হ্ৰাস কৰি লাভৰ পৰিমাণ বৃদ্ধি কৰিব পাৰিব।




মজুৰি নিৰ্ধাৰণ হয় সেই বিন্দুত য'ত শ্ৰমৰ চাহিদা আৰু যোগান ৰেখাই কটাকটি কৰে।

ক্ৰমহ্ৰাসমান প্ৰান্তিক উৎপাদন বিধি প্ৰযোজ্য হৈ থাকিলে প্ৰতিষ্ঠানে সদায় $w=VMP_L$ অৱস্থাত উৎপাদন কৰাটোৱে ইয়াকে বুজায় যে শ্ৰমৰ চাহিদা ৰেখা নিম্নগামী। এইটো কিয় হয় বুজিবলৈ ধৰা হ'ল $w_1$ মজুৰিৰ হাৰত শ্ৰমৰ চাহিদা হয় $l_1$ এতিয়া ধৰা হ'ল, মজুৰিৰ হাৰ $w_2$ লৈ বৃদ্ধি হ'ল। মজুৰি-$VMP_L$ সমতা ৰক্ষা কৰিবলৈ $VMP_L$ বৃদ্ধি হ'ব লাগিব। সামগ্ৰীৰ দাম স্থিৰ হৈ থাকি[b] এয়া সম্ভৱ হ'ব যদিহে $MP_L$ বৃদ্ধি হয় যিয়ে শ্ৰমৰ ক্ৰমহ্ৰাসমান প্ৰান্তিক উৎপাদনশীলতাৰ বাবে আগতকৈ কম শ্ৰম নিয়োগ কৰা উচিত বুলি নিৰ্দেশ কৰে। সেইবাবে, বৰ্ধিত মজুৰিত কম শ্ৰমৰ চাহিদা সৃষ্টি হয় যাৰ কাৰণে চাহিদা ৰেখা নিম্নগামী। ব্যক্তিগত প্ৰতিষ্ঠানৰ চাহিদা ৰেখাৰ পৰা বজাৰ চাহিদা ৰেখা উলিয়াবলৈ আমি মাত্ৰ বিভিন্ন মজুৰিত ব্যক্তিগত প্ৰতিষ্ঠানবোৰৰ শ্ৰমৰ চাহিদাবোৰ যোগ কৰো আৰু যিহেতু প্ৰতিখন প্ৰতিষ্ঠানে মজুৰি বৃদ্ধি হ'লে কম পৰিমাণৰ শ্ৰম নিয়োগ কৰে, সেয়েহে বজাৰ চাহিদা ৰেখাও নিম্নগামী হয়।

চাহিদাৰ দিশটো চোৱাৰ পিছত আমি এইবাৰ যোগানৰ দিশটো চাম। আগতে উল্লেখ কৰাৰ দৰে পৰিয়ালবোৰে এক নিৰ্দিষ্ট মজুৰিৰ হাৰত যোগান ধৰিবলগীয়া শ্ৰমৰ পৰিমাণ নিৰ্ণয় কৰে। সিহঁতৰ যোগানৰ সিদ্ধান্ত প্ৰধানতে আয় আৰু জিৰণিৰ মাজৰ এটা পছন্দ। এহাতে মানুহে জিৰণিৰ আনন্দ লয় আৰু কৰ্ম বিৰক্তিকৰ বুলি বিবেচনা কৰে আৰু আনহাতে তেওঁলোকে আয় সংগ্ৰহৰ ওপৰত গুৰুত্ব দি কাম কৰিবলগীয়া হয়।

গতিকে জিৰণিৰ আনন্দ আৰু কৰ্মৰ বাবে অতিৰিক্ত সময় খৰচ কৰাৰ মাজত বিপৰীতমুখী

[a] অধ্যায় 4-ৰ পৰা মনত পেলোৱা যে এখন পূৰ্ণ প্ৰতিযোগিতামূলক প্ৰতিষ্ঠানৰ প্ৰান্তিক বিক্ৰী আয় দামৰ সমান।
[b] আলোচিত প্ৰতিষ্ঠানখন পূৰ্ণ প্ৰতিযোগী হোৱা বাবে ই সামগ্ৰীৰ দামৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে বুলি বিশ্বাস কৰে।

www.dailyassam



সম্পৰ্ক (Trade Off) আছে। একমাত্ৰ ব্যক্তি এজনৰ শ্ৰম যোগান ৰেখা নিৰ্ণয় কৰিবলৈ আমি ধৰি লওঁ যে $w_1$ মজুৰিৰ হাৰত ব্যক্তিজনে $l_1$ একক শ্ৰমৰ যোগান ধৰে। এতিয়া ধৰা হ'ল, মজুৰি $w_2$ লৈ বাঢ়িল। মজুৰিৰ হাৰৰ এই বৃদ্ধিৰ দুটা ফল হ'ব পাৰে ঃ প্ৰথম, মজুৰিৰ হাৰ বৃদ্ধিৰ ফলত জিৰণিৰ সুযোগ ব্যয় (Opportunity Cost) বৃদ্ধি হ'ব যাৰ বাবে জিৰণি আগতকৈ ব্যয়বহুল হৈ পৰিব। সেইকাৰণে, মানুহে আগতকৈ কম পৰিমাণৰ জিৰণি ল'বলৈ ইচ্ছা কৰিব। ফলস্বৰূপে, তেওঁলোকে আগতকৈ বেছি সময় কাম কৰিব। দ্বিতীয়তে, মজুৰিৰ হাৰ $w_2$ লৈ বাঢ়ি যোৱা কাৰণে মানুহৰ ক্ৰয় ক্ষমতা বাঢ়িব। গতিকে, তেওঁলোকে অৱসৰ বিনোদনত বেছি সময় খৰচ কৰিবলৈ বিচাৰিব। মজুৰিৰ হাৰ বৃদ্ধিৰ চূড়ান্ত প্ৰভাৱটো এই দুটা ফলাফলৰ বেছি প্ৰভাৱশালীটোৰ ওপৰত নিৰ্ভৰ কৰিব। নিম্ন মজুৰিৰ হাৰত প্ৰথমটোৱে দ্বিতীয়টোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব আৰু সেইবাবে মজুৰিৰ হাৰ বৃদ্ধিৰ লগে লগে মানুহে অধিক শ্ৰমৰ যোগান ধৰিব বিচাৰিব। কিন্তু উচ্চ মজুৰিৰ হাৰত দ্বিতীয়টোৱে প্ৰথমটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব আৰু মজুৰিৰ হাৰ প্ৰতিবাৰ বৃদ্ধিৰ লগে লগে মানুহে আগতকৈ কম শ্ৰমৰ যোগান ধৰিব বিচাৰিব। সেয়েহে, আমি পিছফালে ভাঁজ খোৱা ব্যক্তিগত শ্ৰম যোগান ৰেখা (Backward Bending Individual Labour Supply Curve) এডাল পাম যিডালে ইয়াকে দেখুৱায় যে এটা নিৰ্দিষ্ট বিন্দুলৈ প্ৰতিবাৰ মজুৰিৰ হাৰ বৃদ্ধিৰ ফলত শ্ৰমৰ যোগান বৃদ্ধি হ'ব। ইয়াৰ পিছত মজুৰিৰ হাৰ প্ৰতিবাৰ বৃদ্ধিৰ ফলত শ্ৰমৰ যোগান হ্ৰাস হ'ব। আনহাতে কিন্তু বিভিন্ন মজুৰিত বিভিন্ন ব্যক্তিয়ে যোগান ধৰা শ্ৰম একেলগ কৰি পোৱা শ্ৰমৰ বজাৰ যোগান ৰেখা উৰ্ধগামী হ'ব কাৰণ উচ্চ মজুৰিত কিছুমান ব্যক্তিয়ে যদিও কম সময় কাম কৰিব বিচাৰে, আন বহু ব্যক্তিয়ে আগতকৈ বেছি শ্ৰম কৰিবলৈ আগবাঢ়ি আছে।

এডাল উৰ্ধগামী যোগান ৰেখা আৰু এডাল নিম্নগামী চাহিদা ৰেখাৰ সেই বিন্দুত ভাৰসাম্য মজুৰিৰ হাৰ নিৰ্ধাৰিত হয় য'ত দুইডাল ৰেখাই কটাকটি কৰে; আন কথাত, য'ত পৰিয়ালবোৰে যোগান ধৰিব বিচৰা শ্ৰম আৰু প্ৰতিষ্ঠানবোৰে নিয়োগ কৰিব বিচৰা শ্ৰম সমান হয়। চিত্ৰত এই অৱস্থাটো দেখুওৱা হৈছে।

**চাহিদা আৰু যোগানৰ স্থানান্তৰ (Shifts in Demand and Supply) ঃ**

ওপৰৰ অংশত আমি উপভোক্তাৰ ৰুচি আৰু অগ্ৰাধিকাৰ, সম্পৰ্কিত সামগ্ৰীৰ দাম, উপভোক্তাৰ আয়, উৎপাদন কৌশল, বজাৰৰ আকাৰ, উৎপাদনত ব্যৱহৃত সামগ্ৰীৰ দাম, ইত্যাদি স্থিৰ হৈ থকাৰ অভিধাৰণাৰ ভিত্তিত বজাৰ ভাৰসাম্য আলোচনা কৰিলো, কিন্তু এইবোৰৰ এক বা একাধিক উপাদানৰ পৰিৱৰ্তনৰ ফলত যোগান ৰেখা বা চাহিদা ৰেখা বা দুয়োটাৰে স্থান পৰিবৰ্তন হ'ব পাৰে যিয়ে ভাৰসাম্য দাম আৰু পৰিমাণত প্ৰভাৱ পেলায়। ইয়াত, আমি প্ৰথমতে এই স্থানান্তৰৰ ফলত ভাৰসাম্যত পৰা প্ৰভাৱ দৰ্শোৱা এটা মুখ্য তত্ত্ব আগবঢ়াম আৰু তাৰ পিছত ভাৰসাম্যৰ ওপৰত উল্লেখিত আন কিছুমান উপাদানৰ পৰিবৰ্তনৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিম।

**চাহিদা স্থানান্তৰ (Demand Shift) ঃ**

চিত্ৰত 5.2. ত প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থকা অৱস্থাত চাহিদা স্থানান্তৰৰ প্ৰভাৱ দেখুওৱা হৈছে। ইয়াত প্ৰাৰম্ভিক ভাৰসাম্য বিন্দু হৈছে E য'ত বজাৰ চাহিদা ৰেখা $DD_0$ আৰু বজাৰ যোগান ৰেখা $SS_0$ -এ কটাকটি কৰি ক্ৰমে $q_0$ আৰু $p_0$ ভাৰসাম্য পৰিমাণ আৰু দাম নিৰ্ণয় কৰিছে।




***Fig. 5.2***

**চাহিদাৰ স্থানান্তৰ ঃ** প্ৰথমতে, বজাৰ ভাৰসাম্য হৈছে E বিন্দুত। চাহিদা সোঁফালে স্থানান্তৰিত হোৱা বাবে খণ্ড (a)ত দেখুওৱাৰ দৰে G বিন্দুত নতুন ভাৰসাম্য লাভ হৈছে আৰু বাওঁফালে স্থানান্তৰিত হোৱাত খণ্ড (b)ত দেখুওৱাৰ দৰে F বিন্দুত নতুন ভাৰসাম্য লাভ হৈছে। সোঁফালে স্থানান্তৰ হ'লে ভাৰসাম্য পৰিমাণ আৰু দাম বৃদ্ধি হয়, কিন্তু বাওঁফালে স্থানান্তৰিত হ'লে ভাৰসাম্য পৰিমাণ আৰু দাম হ্ৰাস পায়।

এতিয়া খণ্ড (a)ত দেখুওৱাৰ দৰে ধৰা হ'ল যে যোগান ৰেখা $SS_0$ত অপৰিবৰ্তনীয় হৈ থকা অৱস্থাত চাহিদা ৰেখা সোঁফালে $DD_2$ লৈ স্থানান্তৰিত হ'ল। এই স্থানান্তৰে ইয়াকে বুজায় যে যিকোনো দামতে চাহিদাৰ পৰিমাণ আগতকৈ বেছি। সেইকাৰণে $p_0$ দামত এতিয়া বজাৰত $q_0q_0''$-ৰ সমান অতিৰিক্ত চাহিদা থাকি যায়। এই অতিৰিক্ত চাহিদাৰ প্ৰতি সঁহাৰি জনাই কিছুমান ব্যক্তিয়ে অধিক দাম দিবলৈ বিচাৰে আৰু দাম বৃদ্ধি হ'ব ধৰে। G বিন্দুত নতুন ভাৰসাম্য অৰ্জন হয় য'ত $q_2$ ভাৰসাম্য পৰিমাণ $q_0$-তকৈ বেছি আৰু $p_2$ ভাৰসাম্য দাম $p_0$-তকৈ অধিক হয়।

একেদৰে, খণ্ড (b)-ত দেখুওৱাৰ দৰে যদি চাহিদা ৰেখা বাওঁফালে $DD_1$ লৈ স্থানান্তৰিত হয়, তেন্তে যিকোনো দামতে চাহিদাৰ পৰিমাণ চাহিদা পৰিৱৰ্তনৰ আগতকৈ কম হ'ব। সেইকাৰণে $p_0$ প্ৰাৰম্ভিক ভাৰসাম্য দামত এতিয়া বজাৰত $q_0'q_0$-ৰ সমান অতিৰিক্ত যোগানৰ সৃষ্টি হ'ব। ইয়াৰ প্ৰতি সঁহাৰি জনাই কিছুমান প্ৰতিষ্ঠানে সিহঁতৰ সামগ্ৰীৰ দাম হ্ৰাস কৰিব যাতে সিহঁতে বিচৰা পৰিমাণ বিক্ৰী কৰিব পাৰে। F বিন্দুত নতুন ভাৰসাম্য লাভ হ'ব য'ত $DD_1$ চাহিদা ৰেখা আৰু $SS_0$ যোগান ৰেখাই কটাকটি কৰে। ফলত $p_1$ ভাৰসাম্য দাম $p_0$-তকৈ কম আৰু $q_1$ পৰিমাণ $q_0$-তকৈ কম হয়। এইখিনিতে মন কৰিবা যে ভাৰসাম্য দাম আৰু পৰিমাণৰ পৰিৱৰ্তন চাহিদা স্থানান্তৰৰ একে দিশত হয়।

মুখ্য তত্ত্বটো আলোচনা কৰাৰ পিছত আমি এতিয়া অধ্যায় 2-ত তালিকাভুক্ত কৰাৰ লগতে ওপৰত উল্লিখিত কিছুমান উপাদানৰ পৰিৱৰ্তনৰ ফলত চাহিদা ৰেখা, ভাৰসাম্য দাম আৰু পৰিমাণ কেনেদৰে প্ৰভাৱান্বিত হয় তাক বুজিবলৈ কিছুমান উদাহৰণ ব্যাখ্যা কৰিম। স্পষ্টভাৱে ক'বলৈ হ'লে, আমি ভাৰসাম্যৰ ওপৰত উপভোক্তাৰ আয় বৃদ্ধি আৰু উপভোক্তাৰ সংখ্যা বৃদ্ধিৰ প্ৰভাৱ বিশ্লেষণ কৰিম।

ধৰ হওক যে উপভোক্তাৰ দৰমহা বৃদ্ধি হোৱা বাবে তেওঁলোকৰ আয় বৃদ্ধি হ'ল। ইয়ে ভাৰসাম্যক কেনেদৰে প্ৰভাৱিত কৰিব? আয় বৃদ্ধিৰ লগে লগে উপভোক্তাসকলে কিছুমান সামগ্ৰীত আগতকৈ বেছি মুদ্ৰা খৰচ কৰিব পাৰিব। কিন্তু অধ্যায় 2-ৰ পৰা মনত পেলোৱা যে আয় বৃদ্ধি হ'লে উপভোক্তাই নিকৃষ্ট দ্ৰব্য (Inferior Good)-ত কম খৰচ কৰে যদিও এটা স্বাভাৱিক দ্ৰব্য (Normal Good)ৰ ক্ষেত্ৰত, অন্য সামগ্ৰীৰ দাম আৰু উপভোক্তাৰ ৰুচি আৰু অগ্ৰাধিকাৰ স্থিৰ হৈ থকা অৱস্থাত, প্ৰত্যেক দামতে দ্ৰব্যটোৰ

www.dailyassam



চাহিদা বৃদ্ধি পাব যাৰ ফলত বজাৰ চাহিদা ৰেখা সোঁফালে স্থানান্তৰিত হ'ব। ইয়াত আমি কাপোৰৰ দৰে এটা স্বাভাবিক দ্ৰব্যৰ উদাহৰণ আলোচনা কৰিম যাৰ ক্ষেত্ৰত চাহিদা উপভোক্তাৰ আয় বৃদ্ধিৰ সৈতে বাঢ়িব আৰু তাৰ ফলত চাহিদা ৰেখা সোঁপিনে স্থানান্তৰিত হ'ব। তথাপি এই আয় বৃদ্ধিয়ে যোগান ৰেখাৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে যি কেৱল উৎপাদন কৌশল বা প্ৰতিষ্ঠানৰ উৎপাদন ব্যয়ৰ লগত সম্পৰ্কিত কিছুমান উপাদানৰ পৰিবৰ্তনৰ ফলতহে স্থানান্তৰিত হয়। সেয়েহে, যোগান ৰেখা অপৰিৱৰ্তনীয় হৈ থাকে। চিত্ৰ 5.2 (a) ত $DD_0$-ৰ পৰা $DD_2$-লৈ স্থানান্তৰিত হোৱা চাহিদা ৰেখা আৰু $SS_0$-ত অপৰিবৰ্তনীয় যোগান ৰেখাৰে এই অৱস্থাটো দেখুওৱা হৈছে। চিত্ৰৰ পৰা ইয়াকে বুজিব পাৰি যে নতুন ভাৰসাম্য অৱস্থাত কাপোৰৰ দাম আৰু চাহিদা আৰু বিক্ৰীৰ পৰিমাণ অধিকতৰ হয়।

এতিয়া অন্য এটা উদাহৰণলৈ যাওঁ আহা। ধৰা হওক যে কোনো কাৰণত কাপোৰৰ বজাৰত উপভোক্তাৰ সংখ্যা বৃদ্ধি হ'ল। অন্যান্য অৱস্থা একে থাকি উপভোক্তাৰ সংখ্যা বৃদ্ধি হোৱা বাবে প্ৰত্যেক দামত কাপোৰৰ চাহিদা আগতকৈ বেছি হ'ব। সেয়েহে, চাহিদা ৰেখা সোঁফালে স্থানান্তৰিত হ'ব। কিন্তু উপভোক্তাৰ এই সংখ্যা বৃদ্ধিয়ে যোগান ৰেখাক প্ৰভাৱিত কৰিব নোৱাৰে কাৰণ অধ্যায়ত 4-ত বৰ্ণনা কৰা অনুসৰি যোগান ৰেখা কেৱল প্ৰতিষ্ঠানৰ আচৰণৰ লগত জড়িত বিষয়ৰ পৰিৱৰ্তন বা প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিৰ ফলতহে স্থানান্তৰিত হ'ব পাৰে। এই অৱস্থাটো আকৌ চিত্ৰ 5.2(a)-ৰ সহায়ত ব্যাখ্যা কৰিব পাৰি য'ত $DD_0$ চাহিদা ৰেখা সোঁফালে $DD_2$-লৈ স্থানান্তৰিত হয় আৰু যোগান ৰেখা $SS_0$ত অপৰিৱৰ্তনীয় হৈ থাকে। চিত্ৰত স্পষ্টকৈ দেখুওৱা হৈছে যে আগৰ ভাৰসাম্য বিন্দু E-ৰ তুলনাত নতুন ভাৰসাম্য বিন্দু G-ত দাম, চাহিদা আৰু যোগানৰ পৰিমাণ বৃদ্ধি হয়।

**যোগান স্থানান্তৰ (Supply Shift) ঃ**

চিত্ৰ 5.3-ত আমি ভাৰসাম্য দাম আৰু পৰিমাণৰ ওপৰত যোগান ৰেখাৰ স্থানান্তৰৰ প্ৰভাৱ দেখুৱাইছো। ধৰা হ'ল, প্ৰথমে বজাৰখন E বিন্দুত ভাৰসাম্য হৈ আছে য'ত $DD_0$ বজাৰ চাহিদা ৰেখাই $SS_0$ বজাৰ যোগান ৰেখাক এনেকৈ ছেদ কৰিছে যাতে ভাৰসাম্য দাম $p_0$ আৰু ভাৰসাম্য পৰিমাণ $q_0$ হয়।




**Fig. 5.3** (a) (b)

**যোগানৰ স্থানান্তৰ ঃ** প্ৰথমতে E বিন্দুত বজাৰ ভাৰসাম্য হয়। যোগান ৰেখা বাওঁফালে স্থানান্তৰিত হোৱা বাবে খণ্ড (a)ত দেখুওৱাৰ দৰে G বিন্দু হয় নতুন ভাৰসাম্য বিন্দু আৰু সোঁফালে স্থানান্তৰিত হোৱা বাবে খণ্ড (b)ত দেখুওৱাৰ দৰে F বিন্দুত নতুন ভাৰসাম্য লাভ হয়। সোঁফাললৈ স্থানান্তৰিত হ'লে ভাৰসাম্য পৰিমাণ বৃদ্ধি আৰু দাম হ্ৰাস হয় কিন্তু বাওঁফাললৈ স্থানান্তৰিত হ'লে ভাৰসাম্য পৰিমাণ হ্ৰাস আৰু দাম বৃদ্ধি হয়।

www.dailyassam

এতিয়া ধৰা হ'ল, কোনো কাৰণত খণ্ড (a)ত দেখুওৱাৰ দৰে চাহিদা ৰেখা অপৰিবৰ্তনীয় হৈ থাকি বজাৰ যোগান ৰেখা বাওঁফালে $SS_2$ লৈ স্থানান্তৰিত হ'ল। এই পৰিবৰ্তনৰ বাবে $p_0$ প্ৰচলিত দামত বজাৰত $q''_0q_0$ পৰিমাণৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি হ'ব। দ্ৰব্যবিধ আহৰণ কৰিব নোৱাৰা কিছুমান উপভোক্তাই অধিক দাম দিবলৈ প্ৰস্তুত হ'ব আৰু বজাৰ দাম বৃদ্ধি হ'বলৈ আৰম্ভ কৰিব। G বিন্দুত নতুন ভাৰসাম্য স্থাপন হ'ব য'ত $SS_2$ যোগান ৰেখাই $DD_0$ চাহিদা ৰেখাক এনেভাৱে ছেদ কৰিব যাতে $p_2$ দামত $q_2$ পৰিমাণৰ সামগ্ৰী কিনা-বেচা হয়। একেদৰে, যোগান ৰেখা সোঁফালে স্থানান্তৰিত হ'লে খণ্ড (b)ত দেখুওৱাৰ দৰে $p_0$ দামত $q_0q'_0$ পৰিমাণৰ অতিৰিক্ত যোগানৰ সৃষ্টি হ'ব। এই অতিৰিক্ত যোগানৰ প্ৰতি সঁহাৰি জনাই কিছুমান প্ৰতিষ্ঠানে দাম হ্ৰাস কৰিব আৰু F বিন্দুত নতুন ভাৰসাম্য অৰ্জন হ'ব য'ত $SS_1$ যোগান ৰেখাই $DD_0$ চাহিদা ৰেখাক এনেভাৱে ছেদ কৰিব যাতে $p_1$ নতুন বজাৰ দামত $q_1$ পৰিমাণৰ সামগ্ৰী কিনা-বেচা হয়। লক্ষ্য কৰিবা যে যোগান ৰেখা স্থানান্তৰিত হ'লে দাম আৰু পৰিমাণৰ পৰিৱৰ্তন তাৰ বিপৰীত দিশত হয়।

এতিয়া এইখিনি ধাৰণা লৈ আমি বজাৰৰ বিভিন্ন অৱস্থা পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত ভাৰসাম্য দাম আৰু পৰিমাণৰ আচৰণ বিশ্লেষণ কৰিব পাৰিম। ইয়াত, আমি ভাৰসাম্যৰ ওপৰত উপাদানৰ মূল্য বৃদ্ধি আৰু প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিৰ প্ৰভাৱ আলোচনা কৰিম।

এটা অৱস্থা কল্পনা কৰা য'ত অন্যান্য সকলো অৱস্থা একে থাকি এটা সামগ্ৰীৰ উৎপাদনত ব্যৱহৃত এটা উপাদানৰ মূল্য বৃদ্ধি হ'ল। ইয়ে এই উপাদানটো ব্যৱহাৰ কৰা প্ৰতিষ্ঠানবোৰৰ উৎপাদনৰ প্ৰান্তিক ব্যয় বৃদ্ধি কৰিব। সেই কাৰণে যিকোনো দামতে বজাৰ যোগান আগতকৈ কম হ'ব। গতিকে, যোগান ৰেখা বাওঁফাললৈ স্থানান্তৰিত হ'ব। চিত্ৰ 5.3 (a) ত এই অৱস্থাটো যোগান ৰেখা $SS_0$-ৰ পৰা $SS_2$-লৈ স্থানান্তৰিত কৰি দেখুওৱা হৈছে। কিন্তু উপভোক্তাৰ চাহিদাৰ ওপৰত উপাদানৰ এই মূল্য বৃদ্ধিৰ কোনো প্ৰভাৱ নপৰিব কিয়নো ই উপাদানৰ মূল্যৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰ নকৰে। সেয়েহে, চাহিদা ৰেখা অপৰিৱৰ্তনীয় হৈ থাকিব। চিত্ৰ 5.3(a) ত এই অৱস্থাটো অপৰিৱৰ্তনীয় চাহিদা ৰেখা $DD_0$-ৰে দেখুওৱা হৈছে। ফলস্বৰূপে, আগৰ ভাৰসাম্য অৱস্থাৰ তুলনাত এতিয়া বজাৰ দাম বাঢ়িছে আৰু উৎপন্নৰ পৰিমাণ কমিছে।

প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিৰ প্ৰভাৱ আলোচনা কৰো আহা। যিহেতু প্ৰত্যেক দামতে এতিয়া বেছিসংখ্যক প্ৰতিষ্ঠানে সামগ্ৰীটো যোগান ধৰিব, গতিকে যোগান ৰেখা সোঁফাললৈ স্থানান্তৰিত হ'ব কিন্তু চাহিদা ৰেখাৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ নপৰিব। এই উদাহৰণটো চিত্ৰ 5.3(b)ৰ সহায়ত ব্যাখ্যা কৰিব পাৰি য'ত যোগান ৰেখা $SS_0$-ৰ পৰা $SS_1$-লৈ স্থানান্তৰিত হৈছে যদিও চাহিদা ৰেখা $DD_0$-ত স্থিৰ হৈ আছে। চিত্ৰৰ পৰা আমি ইয়াকে ক'ব পাৰো যে প্ৰথমাৱস্থাৰ তুলনাত সামগ্ৰীবিধৰ দাম কমিব আৰু উৎপন্নৰ পৰিমাণ বৃদ্ধি পাব।

**চাহিদা আৰু যোগানৰ সহ-স্থানান্তৰ ঃ (Simultaneous Shifts of Demand and Supply)**

চাহিদা আৰু যোগান ৰেখা একেলগে স্থানান্তৰিত হ'লে কি হ'ব? সহ-স্থানান্তৰ সম্ভাব্য চাৰি ধৰণে ঘটিব পাৰে ঃ

(i) যোগান আৰু চাহিদা ৰেখা উভয়ে সোঁফালে স্থানান্তৰিত হ'ব পাৰে।

(ii) যোগান আৰু চাহিদা ৰেখা উভয়ে বাওঁফালে স্থানান্তিৰত হ'ব পাৰে।

(iii) যোগান ৰেখা বাওঁফালে আৰু চাহিদা ৰেখা সোঁফালে স্থানান্তৰিত হ'ব পাৰে।

(iv) যোগান ৰেখা সোঁফালে আৰু চাহিদা ৰেখা বাওঁফালে স্থানান্তৰিত হ'ব পাৰে।

www.dailyassam

তালিকা 5.1-ত এই চাৰিওটা ক্ষেত্ৰতে ভাৰসাম্য দাম আৰু পৰিমাণৰ ওপৰত পৰা প্ৰভাৱ দাঙি ধৰা হৈছে। তালিকাখনৰ প্ৰতিটো শাৰীয়ে চাহিদা আৰু যোগান ৰেখাৰ সহ-স্থানান্তৰৰ প্ৰতিটো সম্ভাব্য সংযোগৰ ফলত ভাৰসাম্য দাম আৰু পৰিমাণত হ'ব পৰা পৰিবৰ্তনৰ দিশ বৰ্ণনা কৰিছে। উদাহৰণস্বৰূপে, তালিকাখনৰ দ্বিতীয় শাৰীৰ পৰা আমি জানিব পাৰো যে চাহিদা আৰু যোগান ৰেখা সোঁফালে স্থানান্তৰিত হোৱাৰ ফলত ভাৰসাম্য পৰিমাণ সদায় বৃদ্ধি হয় কিন্তু ভাৰসাম্য দাম বৃদ্ধি, হ্ৰাস বা অপৰিবৰ্তনীয় হৈ থাকিব পাৰে। দাম পৰিৱৰ্তনৰ প্ৰকৃত দিশটো ৰেখা দুডালৰ স্থানান্তৰৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত তোমালোকে নিজে নিজে স্থানান্তৰৰ পৰিমাণ পৰিৱৰ্তন কৰি প্ৰভাৱবোৰ পৰীক্ষা কৰি চোৱা।

তালিকাখনৰ প্ৰথম দুটা শাৰীত দেখুওৱা প্ৰথম দুয়োটা ক্ষেত্ৰতে ভাৰসাম্য পৰিমাণৰ ওপৰত পৰা প্ৰভাৱ স্পষ্ট কিন্তু ভাৰসাম্য দামৰ পৰিৱৰ্তন স্থানান্তৰৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি যিকোনো দিশতে হ'ব পাৰে। তালিকাখনৰ শেষৰ দুটা শাৰীত দেখুওৱা পিছৰ দুয়োটা ক্ষেত্ৰতে দামৰ ওপৰত প্ৰভাৱ স্পষ্ট যদিও পৰিমাণৰ ওপৰত পৰা প্ৰভাৱ ৰেখা দুডাল স্থানান্তৰিত হোৱা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে।

**তালিকা ঃ 5.1 ভাৰসাম্যৰ ওপৰত সহ-স্থানান্তৰৰ প্ৰভাৱ**

| চাহিদাৰ স্থানান্তৰ | যোগানৰ স্থানান্তৰ | পৰিমাণ | দাম |
|---|---|---|---|
| বাওঁফালে | বাওঁফালে | হ্ৰাস পায় | বৃদ্ধি, হ্ৰাস বা অপৰিৱৰ্তনীয় হৈ থাকিব পাৰে। |
| সোঁফালে | সোঁফালে | বৃদ্ধি হয় | বৃদ্ধি, হ্ৰাস বা অপৰিৱৰ্তনীয় হৈ থাকিব পাৰে। |
| বাওঁফালে | সোঁফালে | বৃদ্ধি, হ্ৰাস বা পৰিৱৰ্তনীয় হৈ থাকিব পাৰে। | হ্ৰাস পায় |
| সোঁফালে | বাওঁফালে | বৃদ্ধি; হ্ৰাস বা পৰিৱৰ্তনীয় হৈ থাকিব পাৰে। | বৃদ্ধি পায় |

ইয়াত আমি চিত্ৰ 5.4-ত (ii) আৰু (iii) নং ক্ষেত্ৰৰ চৈত্ৰিক উপস্থাপন দাঙি ধৰিছো আৰু বাকীকেইটা পঢ়ুৱৈসকলৰ বাবে অনুশীলনী হিচাপে ৰাখিছো।




**Fig. 5.4**

www.dailyassam

**চাহিদা আৰু যোগানৰ সহ-স্থানান্তৰ ঃ**

প্ৰাথমিক ভাৰসাম্য বিন্দু হ'ল E য'ত $DD_0$ চাহিদা ৰেখা আৰু $SS_0$ যোগান ৰেখাই কটাকটি কৰিছে। খণ্ড (a)-ত যোগান আৰু চাহিদা দুয়োডাল ৰেখা সোঁফালে স্থানান্তৰিত হোৱাৰ ফলত দাম অপৰিবৰ্তিত হৈ আছে কিন্তু পৰিমাণ বৃদ্ধি হৈছে। খণ্ড (b)-ত যোগান ৰেখা সোঁফালে আৰু চাহিদা ৰেখা বাওঁফালে স্থানান্তৰিত হোৱাৰ ফলত পৰিমাণ অপৰিবৰ্তিত হৈ আছে কিন্তু দাম হ্ৰাস হৈছে।

চিত্ৰ 5.4. (a) ত দেখা যায় যে চাহিদা আৰু যোগান দুয়োডাল ৰেখা সোঁফালে স্থানান্তৰিত হোৱাৰ ফলত ভাৰসাম্য পৰিমাণ বৃদ্ধি হয় যদিও ভাৰসাম্য দাম অপৰিবৰ্তিত হৈ থাকে আৰু চিত্ৰ 5.4(b)-ত চাহিদা ৰেখা বাওঁফালে আৰু যোগান ৰেখা সোঁফালে স্থানান্তৰিত হোৱাৰ ফলত ভাৰসাম্য পৰিমাণ অপৰিবৰ্তিত হৈ থাকে যদিও দাম হ্ৰাস হয়।

### 5.1.2. বজাৰ ভাৰসাম্য ঃ মুক্ত প্ৰৱেশ আৰু প্ৰস্থান (Market Equilibrium : Free Entry and Exit) ঃ

শেষৰ অংশটোত নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠানৰ অভিধাৰণাৰ ভিত্তিত বজাৰ ভাৰসাম্য আলোচনা কৰা হ'ল। এই অংশত আমি প্ৰতিষ্ঠানবোৰে মুক্তভাৱে বজাৰত প্ৰৱেশ আৰু প্ৰস্থান কৰিব পৰা অৱস্থাৰ বজাৰ ভাৰসাম্য অধ্যয়ন কৰিম। ইয়াত, সুবিধাৰ বাবে আমি ধৰি ল'ম যে বজাৰৰ সকলো প্ৰতিষ্ঠানেই সদৃশ।

প্ৰৱেশ আৰু প্ৰস্থান অভিধাৰণাটোৰ নিহিত অৰ্থ কি? এই অভিধাৰণাটোৱে ইয়াকে বুজায় যে ভাৰসাম্য অৱস্থাত উৎপাদন কাৰ্য অব্যাহত ৰাখি কোনো প্ৰতিষ্ঠানে অস্বাভাৱিক লাভ অৰ্জন বা লোকচান বহন নকৰে; অন্য কথাত ভাৰসাম্য দাম প্ৰতিষ্ঠানবোৰৰ সৰ্বনিম্ন গড় উৎপাদন ব্যয় (Minimum Average Cost)ৰ সমান হয়।

এইটো কিয় হয় জানিবলৈ, ধৰা হ'ল, প্ৰচলিত বজাৰ দামত প্ৰতিখন প্ৰতিষ্ঠানে অস্বাভাৱিক লাভ অৰ্জন কৰি আছে। অস্বাভাৱিক লাভ অৰ্জনৰ সম্ভাৱনীয়তাই কিছুমান নতুন প্ৰতিষ্ঠানক আকৰ্ষিত কৰিব। ইয়ে অস্বাভাৱিক লাভ হ্ৰাস কৰাত অৰিহণা যোগাব আৰু অৱশেষত যথেষ্ট সংখ্যক প্ৰতিষ্ঠানৰ উপস্থিতিয়ে অস্বাভাৱিক লাভ নোহোৱা কৰিব। এই অৱস্থাত বজাৰত থকা সকলো প্ৰতিষ্ঠানে স্বাভাৱিক লাভ অৰ্জন কৰি থকা বাবে আন কোনো প্ৰতিষ্ঠানে প্ৰৱেশ কৰিবলৈ উৎসাহিত নহ'ব। একেদৰে, প্ৰচলিত দামত যদি প্ৰতিষ্ঠানবোৰে স্বাভাৱিক লাভতকৈ কম উপাৰ্জন কৰি থাকে, তেন্তে কিছুমান প্ৰতিষ্ঠানে প্ৰস্থান কৰিব। ইয়ে লাভৰ পৰিমাণ বৃদ্ধি কৰাত অৰিহণা যোগাব আৰু অৱশিষ্ট প্ৰতিখন প্ৰতিষ্ঠানৰ লাভ স্বাভাৱিক অৱস্থালৈ বৃদ্ধি হ'ব। এনে অৱস্থাত স্বাভাৱিক লাভ অৰ্জন কৰি থকা বাবে কোনো প্ৰতিষ্ঠানে প্ৰস্থান কৰিব নিবিচাৰিব। গতিকে,



সকলোৰে বাবে মুক্ত

www.dailyassam

প্ৰৱেশ আৰু প্ৰস্থান মুক্ত হ'লে প্ৰচলিত বজাৰ দামত প্ৰত্যেক প্ৰতিষ্ঠানে সদায় স্বাভাবিক লাভ উপাৰ্জন কৰিব।

আগৰ অধ্যায়টোৰ পৰা মনত পেলোৱা যে যেতিয়ালৈকে দাম সৰ্বনিম্ন গড় ব্যয়তকৈ বেছি হৈ থাকে তেতিয়ালৈকে প্ৰতিষ্ঠানে অস্বাভাৱিক লাভ অৰ্জন কৰি থাকে আৰু সৰ্বনিম্ন গড় ব্যয়তকৈ কম দামত স্বাভাৱিক লাভতকৈ কম লাভ অৰ্জন কৰে। সেয়েহে, সৰ্বনিম্ন গড় ব্যয়তকৈ অধিক দামত নতুন প্ৰতিষ্ঠানে প্ৰৱেশ কৰে আৰু সৰ্বনিম্ন গড় ব্যয়তকৈ কম দামত বজাৰত থকা প্ৰতিষ্ঠানৰ কিছুমানে প্ৰস্থান কৰিবলৈ আৰম্ভ কৰে। প্ৰতিষ্ঠানৰ সৰ্বনিম্ন গড় ব্যয়ৰ সমান দামত প্ৰত্যেক প্ৰতিষ্ঠানে স্বাভাৱিক লাভ অৰ্জন কৰে যাৰ বাবে কোনো নতুন প্ৰতিষ্ঠান বজাৰত প্ৰৱেশ কৰিবলৈ আকৰ্ষিত নহয়। আকৌ অৱশিষ্ট প্ৰতিষ্ঠানবোৰে বজাৰ ত্যাগ নকৰে কিয়নো এই অৱস্থাত উৎপাদন কৰি সেইবোৰে লোকচান ভৰিবলগীয়া হোৱা নাই। সেইবাবে এই দাম বজাৰত প্ৰচলিত হয়।

গতিকে, প্ৰতিষ্ঠানৰ মুক্ত প্ৰৱেশ আৰু প্ৰস্থানে ইয়াকে বুজায় যে বজাৰ দাম সদায় সৰ্বনিম্ন গড় ব্যয়ৰ সমান হয়, অৰ্থাৎ

দাম = সৰ্বনিম্ন গড় ব্যয়

$$P = \min AC$$

ওপৰৰ আলোচনাৰ পৰা ইয়াকে পোৱা গ'ল যে ভাৰসাম্য দাম প্ৰতিষ্ঠানৰ সৰ্বনিম্ন গড় ব্যয়ৰ সমান। ভাৰসাম্য অৱস্থাত সেই দামত বজাৰ চাহিদাই যোগানৰ পৰিমাণ এনেদৰে নিৰ্ধাৰণ কৰে যাতে দুয়োটা সমান হয়। ৰৈখিকভাৱে ইয়াক চিত্ৰ 5.5. ত দেখুওৱা হৈছে য'ত E বিন্দুত বজাৰ ভাৰসাম্য অৱস্থা প্ৰাপ্ত হৈছে। E বিন্দুত DD চাহিদা ৰেখাই $p_0$= min AC ৰেখাক এনেভাৱে ছেদ কৰিছে যাতে বজাৰ দাম $p_0$ আৰু মুঠ চাহিদা আৰু যোগান $q_0$ ৰ সমান হয়।




***Fig. 5.5***

**মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থকা অৱস্থাত দাম নিৰ্ধাৰণ ঃ** মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থকা এখন পূৰ্ণ প্ৰতিযোগী বজাৰত ভাৰসাম্য দাম সদায় সৰ্বনিম্ন গড় ব্যয়ৰ সমান হয় আৰু বজাৰ চাহিদা ৰেখা DD আৰু দাম ৰেখা P=minAC-ৰ কটাকটি স্থলত ভাৰসাম্য পৰিমাণ নিৰ্ধাৰিত হয়।

$p_0$ = min AC ত প্ৰত্যেক প্ৰতিষ্ঠানে একে পৰিমাণৰ উৎপাদন, যেনে $q_{0f}$ যোগান ধৰে। সেইকাৰণে, বজাৰত ভাৰসাম্য প্ৰতিষ্ঠানৰ সংখ্যা $p_0$ দামত $q_0$ পৰিমাণ যোগান ধৰিবলৈ আৱশ্যকীয় প্ৰতিষ্ঠানৰ সংখ্যাৰ সমান হয় য'ত সেই দামত প্ৰতিখন প্ৰতিষ্ঠানে আকৌ $q_{0f}$, পৰিমাণ যোগান ধৰে। আমি যদি ভাৰসাম্য প্ৰতিষ্ঠানৰ সংখ্যা $n_0$ৰ দ্বাৰা বুজাওঁ তেন্তে

$$n_0 = \frac{q_0}{q_{0f}}$$

ভাৰসাম্য দাম আৰু পৰিমাণ নিৰ্ধাৰণ পদ্ধতি অধিক স্পষ্টভাৱে বুজিবলৈ তলৰ উদাহৰণটো চাওঁ আহা।

www.dailyassam

উদাহৰণ 5.2.

ঘেঁহুৰ বজাৰৰ এটা উদাহৰণ লোৱা য'ত ঘেঁহুৰ চাহিদা ৰেখা তলত দিয়া ধৰণে পোৱা যায়

$q^D = 200 - p$      $0 \le p \le 200$ ৰ বাবে

$= 0$      $p > 200$ ৰ বাবে

ধৰি লোৱা যে বজাৰখনত থকা কৃষি প্ৰতিষ্ঠানবোৰ সদৃশ। এখন নিৰ্দিষ্ট প্ৰতিষ্ঠানৰ যোগান ৰেখা এনেভাৱে পোৱা যায়।

$q_1^s = 10 + p$      $p \ge 20$ ৰ বাবে

$= 0$      $0 \le p < 20$ ৰ বাবে

প্ৰতিষ্ঠানবোৰ মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থকাটোৱে ইয়াকে বুজায় যে সেইবোৰে সৰ্বনিম্ন গড় ব্যয়ৰ তলত কেতিয়াও উৎপাদন নকৰে কাৰণ অন্যথা উৎপাদনৰ পৰা প্ৰতিষ্ঠানবোৰৰ লোকচান হ'ব যি ক্ষেত্ৰত সেইবোৰ বজাৰৰ পৰা প্ৰস্থান কৰিবলগীয়া হ'ব।

আমি জানো যে প্ৰৱেশ আৰু প্ৰস্থান মুক্ত হ'লে দাম প্ৰতিষ্ঠানৰ সৰ্বনিম্ন গড় ব্যয়ৰ সমান হোৱা অৱস্থাত বজাৰ ভাৰসাম্য অৱস্থা প্ৰাপ্ত হয়। সেয়েহে, ভাৰসাম্য দাম হ'ব $p_0 = 20$

এই দামত বজাৰত বজাৰ চাহিদাৰ সমান পৰিমাণ যোগান ধৰা হ'ব। গতিকে চাহিদা ৰেখাৰ পৰা আমি ভাৰসাম্য পৰিমাণ এনেদৰে পাম $q_0 = 200 - 20 = 180$

আকৌ, $p_0 = 20$-ত প্ৰতিখন প্ৰতিষ্ঠানে যোগান ধৰিব $q_{0f} = 10 + 20 = 30$

সেইবাবে, মুক্ত প্ৰৱেশ আৰু প্ৰস্থানৰ সৈতে ভাৰসাম্য দাম, পৰিমাণ আৰু প্ৰতিষ্ঠানৰ সংখ্যা হ'ব ক্ৰমান্বয়ে 20 টকা, 180 কি.গ্ৰা. আৰু 6।

**চাহিদাৰ স্থানান্তৰ (Shift in Demand) ঃ**

প্ৰতিষ্ঠানবোৰে মুক্তভাৱে প্ৰৱেশ আৰু প্ৰস্থান কৰিব পৰা অৱস্থাত ভাৰসাম্য দাম আৰু পৰিমাণৰ ওপৰত চাহিদা স্থানান্তৰৰ প্ৰভাৱ পৰীক্ষা কৰো আহা। আগৰ অংশটোৰ পৰা আমি জানিব পাৰিলো যে প্ৰতিষ্ঠানৰ মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থাকিলে সকলো পৰিস্থিতিতে ভাৰসাম্য দাম অৱশিষ্ট প্ৰতিষ্ঠানবোৰৰ নিম্নতম গড় ব্যয়ৰ সমান হয়। এনে ক্ষেত্ৰত বজাৰ চাহিদা ৰেখা যিকোনো ফালে স্থানান্তৰিত হ'লেও নতুন ভাৰসাম্যত একে দামতে আকাংক্ষিত পৰিমাণ বজাৰত যোগান ধৰা হ'ব।

চিত্ৰ 5.6-ত $DD_0$ হ'ল বজাৰ চাহিদা ৰেখা যিয়ে আমাক বিভিন্ন দামত উপভোক্তাই কিমান পৰিমাণ বিচাৰিব তাৰ আভাস দিয়ে আৰু $p_0$ হ'ল প্ৰতিষ্ঠানৰ নিম্নতম গড় ব্যয়ৰ সমান হোৱা দাম। প্ৰাৰম্ভিক ভৰসাম্য বিন্দু হ'ল E য'ত $DD_0$ চাহিদা ৰেখাই $p_0 = \min AC$ ৰেখাক ছেদ কৰে। এই বিন্দুত চাহিদা আৰু যোগানৰ পৰিমাণ হ'ল $q_0$। এই পৰিস্থিতিত প্ৰতিষ্ঠানৰ ভাৰসাম্য সংখ্যা হ'ল $n_0$।

এতিয়া ধৰা হ'ল, কোনো কাৰণত চাহিদা ৰেখা সোঁফালে স্থানান্তৰিত হ'ল। ফলত $p_0$ দামত সামগ্ৰীটোৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি হ'ব। কিছুমান অপৰিতৃপ্ত উপভোক্তাই সামগ্ৰীটোৰ বাবে অধিক দাম দিবলৈ ইচ্ছা কৰাৰ ফলত দাম বাঢ়িবলৈ ধৰিব। ইয়ে অস্বাভাৱিক লাভ অৰ্জনৰ সম্ভাৱনীয়তা বৃদ্ধি কৰা হেতুকে নতুন প্ৰতিষ্ঠান কিছুমান বজাৰলৈ আকৰ্ষিত হ'ব। এনেধৰণৰ নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশে অৱশেষত অস্বাভাৱিক লাভ নোহোৱা কৰিব আৰু দাম আকৌ $p_0$ হ'ব। এতিয়া একেই দামত যোগানৰ পৰিমাণ আগতকৈ অধিক হ'ব। খণ্ড (a) ৰ পৰা আমি দেখিবলৈ পাওঁ যে নতুন চাহিদা ৰেখা $DD_1$ $p_0 = \min AC$ ৰেখাক F বিন্দুত এনেকৈ ছেদ কৰে যাতে নতুন ভাৰসাম্য অৱস্থা হয় $(p_0, q_1)$ য'ত $q_1$এ

www.dailyassam






***Fig. 5.6***

**চাহিদাৰ স্থানান্তৰ ঃ** প্ৰথম অৱস্থাত $DD_0$ হ'ল চাহিদা ৰেখা আৰু $q_0$ আৰু $p_0$ হ'ল ক্ৰমান্বয়ে ভাৰসাম্য পৰিমাণ আৰু দাম। খণ্ড (a)ত দেখুওৱাৰ দৰে চাহিদা ৰেখা সোঁফালে $DD_1$লৈ স্থানান্তৰিত হোৱাৰ ফলত ভাৰসাম্য পৰিমাণ বৃদ্ধি হয় আৰু খণ্ড (b)ত দেখুওৱাৰ দৰে বাওঁফালে $DD_2$লৈ স্থানান্তৰিত হ'লে ভাৰসাম্য পৰিমাণ হ্ৰাস হয়। দুয়োটা ক্ষেত্ৰতে ভাৰসাম্য দাম $p_0$ত অপৰিৱৰ্তনীয় হৈ থাকে।

হয় $q_0$ তকৈ বেছি। নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশৰ ফলত প্ৰতিষ্ঠানৰ নতুন ভাৰসাম্য সংখ্যা $n_1$-ও $n_0$ -তকৈ বেছি। একেদৰে $DD_2$ লৈ চাহিদা ৰেখাৰ বাওঁফালে হোৱা স্থানান্তৰৰ বাবে $p_0$ দামত অতিৰিক্ত যোগানৰ সৃষ্টি হয়। এই অতিৰিক্ত যোগানৰ প্ৰতি সঁহাৰি জনাই $p_0$ দামত আকাংক্ষিত পৰিমাণ বিক্ৰী কৰিব নোৱাৰা কিছুমান প্ৰতিষ্ঠানে দাম হ্ৰাস কৰিবলৈ ইচ্ছা কৰিব। দাম কমিবলৈ ধৰাৰ ফলত অৱশিষ্ট কিছুমান প্ৰতিষ্ঠানে প্ৰস্থান কৰিব আৰু দাম আকৌ $p_0$ হ'ব। সেইকাৰণে, নতুন ভাৰসাম্য অৱস্থাত আগতকৈ কম পৰিমাণৰ যোগান ধৰা হ'ব যিখিনি সেই দামত হ্ৰাস পোৱা চাহিদাৰ সমান হয়। ইয়াক খণ্ড (b) -ত দেখুওৱা হৈছে য'ত চাহিদা ৰেখা $DD_0$-ৰ পৰা $DD_2$ -লৈ স্থানান্তৰিত হোৱাৰ ফলত দাম $p_0$ -ত অপৰিৱৰ্তনীয় হৈ থকাৰ পিছতো চাহিদা আৰু যোগানৰ পৰিমাণ $q_2$ লৈ হ্ৰাস হয়। ইয়াত, অৱশিষ্ট কিছুমান প্ৰতিষ্ঠানৰ প্ৰস্থানৰ বাবে প্ৰতিষ্ঠানৰ ভাৰসাম্য সংখ্যা $n_2$ হয় যি $n_0$ তকৈ কম। গতিকে, চাহিদা সোঁফালে (বাওঁফালে) স্থানান্তৰিত হ'লে ভাৰসাম্য পৰিমাণ আৰু প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধি (হ্ৰাস) হয় যদিও ভাৰসাম্য দাম অপৰিৱৰ্তনীয় হৈ থাকে।

ইয়াত আমি লক্ষ্য কৰা উচিত যে প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থকাৰ তুলনাত মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থাকিলে পৰিমাণৰ ওপৰত চাহিদা স্থানান্তৰৰ প্ৰভাৱ অধিক হয়। কিন্তু নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠানৰ নিচিনাকৈ ইয়াতো ভাৰসাম্য দামৰ ওপৰত কোনোধৰণৰ প্ৰভাৱ নাথাকে।

## 5.2. প্ৰয়োগ ঃ (Applications)

এই অংশত আমি যোগান-চাহিদা বিশ্লেষণৰ ব্যৱহাৰ বুজিবলৈ চেষ্টা কৰিম। স্পষ্টভাৱে ক'বলৈ হ'লে আমি দাম নিয়ন্ত্ৰণ (Price Control)-ৰ ৰূপত চৰকাৰী হস্তক্ষেপৰ দুটা উদাহৰণ আলোচনা কৰিম। চৰকাৰে মাজে-সময়ে কিছুমান নিৰ্দিষ্ট দ্ৰব্য আৰু সেৱাকাৰ্যৰ দাম নিয়ন্ত্ৰণ কৰা আৱশ্যক হৈ পৰে যেতিয়া সেইবোৰৰ দাম আকাংক্ষিত স্তৰৰ তুলনাত অতি উচ্চ বা অতি নিম্ন হয়।

এই দ্ৰব্যবোৰৰ বজাৰৰ ওপৰত এনে নিয়ন্ত্ৰণৰ প্ৰভাৱ পৰীক্ষা কৰিবলৈ আমি পূৰ্ণ প্ৰতিযোগিতাৰ

www.dailyassam




*দাম ধৰোতা*

গাঁথনিৰ ভিতৰত এই কথাবিলাক বিশ্লেষণ কৰিম।

### 5.2.1 দামৰ উচ্চতম সীমা (Price Celing) ঃ

চৰকাৰে কিছুমান দ্ৰব্যৰ উচ্চতম অনুমোদিত দাম নিৰ্ধাৰণ কৰাৰ উদাহৰণ একেবাৰে কম নহয়। এটা দ্ৰব্য বা সেৱাকাৰ্যৰ দামৰ ওপৰত চৰকাৰ আৰোপিত চৰম সীমাই হ'ল দামৰ উচ্চতম সীমা। দামৰ উচ্চতম সীমা সাধাৰণতে অত্যাৱশ্যকীয় সামগ্ৰী যেনে— ঘেঁহু, চাউল, কেৰাচিন তেল, চেনি আদিৰ ওপৰত আৰোপ কৰা হয়। জনসংখ্যাৰ কিছু অংশই বজাৰ নিৰ্ধাৰিত দামত এইবোৰ দ্ৰব্য কিনিবলৈ সমৰ্থ নোহোৱা হেতুকে দামৰ উচ্চতম সীমা বজাৰ নিৰ্ধাৰিত দামৰ তলত স্থিৰ কৰা হয়। ঘেঁহুৰ বজাৰৰ উদাহৰণৰ সহায়ত বজাৰ ভাৰসাম্যৰ ওপৰত দামৰ উচ্চতম সীমাৰ প্ৰভাৱ পৰীক্ষা কৰো আহাঁ।

চিত্ৰত 5.7.এ ঘেঁহুৰ বজাৰ যোগান ৰেখা SS আৰু বজাৰ চাহিদা ৰেখা DD দেখুৱায়।

ঘেঁহুৰ ভাৰসাম্য দাম আৰু পৰিমাণ হ'ল ক্ৰমে $p^*$ আৰু $q^*$। চৰকাৰে ভাৰসাম্য দৰ স্তৰতকৈ তলৰ $p_c$-ত দামৰ উচ্চতম সীমা আৰোপ কৰিলে উপভোক্তাই ঘেঁহুৰ $q_c$ কি.গ্ৰা. বিচাৰে যদিও প্ৰতিষ্ঠানবোৰে $q'_c$ কি.গ্ৰা.হে যোগান ধৰে। গতিকে সেই দামত বজাৰত ঘেঁহুৰ অতিৰিক্ত চাহিদা থাকিব।




**Fig. 5.7**

**ঘেঁহুৰ বজাৰত দামৰ উচ্চতম সীমাৰ প্ৰভাৱ ঃ** ভাৰসাম্য দাম আৰু পৰিমাণ হ'ল ক্ৰমে $p^*$ আৰু $q^*$। $q_c$-ত দামৰ উচ্চতম সীমা আৰোপ কৰাৰ ফলত ঘেঁহুৰ বজাৰত অতিৰিক্ত চাহিদাৰ সৃষ্টি হয়।

এতেকে চৰকাৰৰ অভিপ্ৰায় যদিও উপভোক্তাসকলক সহায় কৰাটো আছিল, ইয়াৰ ফলত ঘেঁহুৰ নাটনিৰ সৃষ্টি হ'ল। সেয়েহে, প্ৰত্যেকলৈ ঘেঁহুৰ যোগান নিশ্চিত কৰিবলৈ উপভোক্তাসকলক ৰচদ পত্ৰ (Ration Coupon) প্ৰদান কৰা হয় যাতে কোনো ব্যক্তিয়ে এক নিৰ্দিষ্ট পৰিমাণতকৈ অধিক ঘেঁহু কিনিব নোৱাৰে। ঘেঁহুৰ এই নিৰ্দিষ্ট পৰিমাণ ৰচদ দোকান (Ration Shop)ৰ জৰিয়তে বিক্ৰী কৰা হয় যিবিলাকক সুলভ মূল্যৰ দোকান (Fair Price Shop) বুলি কোৱা হয়।

সাধাৰণতে দামৰ উচ্চতম সীমাত দ্ৰব্যৰ ৰচদ যোগান ধৰিলে উপভোক্তাৰ ওপৰত নিম্নোক্ত বিৰূপ

প্ৰভাৱবোৰ পৰিব পাৰে ঃ (ক) ৰচদ দোকানৰ পৰা দ্ৰব্য কিনিবলৈ প্ৰত্যেক উপভোক্তাই দীঘল শাৰীত থিয় দিব লাগে। (খ) সুলভ মূল্যৰ দোকানৰ পৰা পোৱা দ্ৰব্যৰ পৰিমাণেৰে সকলো উপভোক্তা সন্তুষ্ট নহয় বাবে কিছুমানে অধিক দাম দিবলৈ ইচ্ছা কৰিব। ইয়াৰ ফলত ক'লা বজাৰৰ সৃষ্টি হ'ব পাৰে।

### 5.2.2 দামৰ নিম্নতম সীমা (Price Floor) ঃ

কিছুমান দ্ৰব্য আৰু সেৱাকাৰ্যৰ দাম এক নিৰ্দিষ্ট স্তৰৰ তললৈ নামি যোৱাটো কাম্য নহয় আৰু সেয়েহে চৰকাৰে এনেবোৰ দ্ৰব্য আৰু সেৱাকাৰ্যৰ নিম্নতম দাম স্থিৰ কৰি দিয়ে। এটা নিৰ্দিষ্ট দ্ৰব্য বা সেৱাৰ দামৰ ওপৰত চৰকাৰ আৰোপিত সৰ্বনিম্ন সীমাই হৈছে দামৰ নিম্নতম সীমা। দামৰ নিম্নতম সীমা আৰোপণৰ সৰ্বজ্ঞাত উদাহৰণ হ'ল কৃষি দৰ সাহায্য আঁচনি (Agricultural Price Support Programmes) আৰু নিম্নতম মজুৰি আইন (Minimum Wage Legislation)।




***Fig. 5.8***

**দ্ৰব্যৰ বজাৰৰ ওপৰত দামৰ নিম্নতম সীমাৰ প্ৰভাৱ ঃ** বজাৰ ভাৰসাম্য হ'ল ($p^*$, $q^*$)। $p_f$-ত দামৰ নিম্নতম সীমা আৰোপ কৰাৰ ফলত অতিৰিক্ত যোগানৰ সৃষ্টি হয়।

কৃষি দৰ সাহায্য আঁচনিৰ জৰিয়তে চৰকাৰে কিছুমান কৃষিজাত দ্ৰব্যৰ ক্ৰয় মূল্যৰ ওপৰত এটা নিম্নতম সীমা আৰোপ কৰে আৰু এই দাম সাধাৰণতে এনেবোৰ সামগ্ৰীৰ বজাৰ নিৰ্ধাৰিত দামতকৈ ওপৰত স্থিৰ কৰা হয়। একেদৰে, নিম্নতম মজুৰি আইনৰ জৰিয়তে চৰকাৰে শ্ৰমিকৰ মজুৰিৰ হাৰ এক নিৰ্দিষ্ট পৰিমাণৰ তললৈ নোযোৱাটো নিশ্চিত কৰে আৰু এই নিম্নতম মজুৰিৰ হাৰ আকৌ ভাৰসাম্য মজুৰিৰ হাৰতকৈ ওপৰত স্থিৰ কৰা হয়।

চিত্ৰ 5.8-এ এটা সামগ্ৰীৰ বজাৰ যোগান আৰু বজাৰ চাহিদা ৰেখা দেখুৱায়, যাৰ ওপৰত দামৰ নিম্নতম সীমা আৰোপ কৰা হয়। ইয়াত $p^*$ দাম আৰু $q^*$ পৰিমাণত বজাৰ ভাৰসাম্য লাভ হয়। কিন্তু চৰকাৰে যেতিয়া ভাৰসাম্য দামতকৈ বেছি $p_f$ দামত নিম্নতম সীমা আৰোপ কৰে, তেতিয়া বজাৰ চাহিদা হয় $q_f$ কিন্তু প্ৰতিষ্ঠানবোৰৰ যোগানৰ পৰিমাণ হয় $q'_f$। ফলত বজাৰত $q_f q'_f$ পৰিমাণৰ অতিৰিক্ত যোগানৰ উদ্ভৱ হয়।

কৃষি সাহায্যৰ ক্ষেত্ৰত অতিৰিক্ত যোগানৰ কাৰণে দাম হ্ৰাস নহ'বলৈ চৰকাৰে পূৰ্ব নিৰ্ধাৰিত দামত উদ্বৃত্তখিনি কিনিবলগীয়া হয়।

www.dailyassam

- পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত বজাৰ চাহিদা আৰু বজাৰ যোগান সমান হোৱা স্থলত ভাৰসাম্য লাভ হয়।
- প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থকা অৱস্থাত বজাৰ চাহিদা আৰু বজাৰ যোগান ৰেখাৰ কটাকটি স্থলত ভাৰসাম্য দাম আৰু পৰিমাণ নিৰ্ধাৰিত হয়।
- শ্ৰমৰ প্ৰান্তিক আয়মূলক উৎপাদন মজুৰিৰ হাৰৰ সমান নোহোৱা পৰ্যন্ত প্ৰতিখন প্ৰতিষ্ঠানে শ্ৰম নিয়োগ কৰে।
- প্ৰতিষ্ঠানৰ সংখ্যা নিৰ্দিষ্ট হৈ থকা অৱস্থাত যোগন ৰেখা অপৰিবৰ্তনীয় থাকি চাহিদা ৰেখা সোঁফালে (বাওঁফালে) স্থানান্তৰিত হ'লে, ভাৰসাম্য পৰিমাণ আৰু ভাৰসাম্য দাম বৃদ্ধি (হ্ৰাস) হয়।
- প্ৰতিষ্ঠানৰ সংখ্যা নিৰ্দিষ্ট হৈ থকা অৱস্থাত চাহিদা ৰেখা অপৰিবৰ্তনীয় থাকি যোগান ৰেখা সোঁফালে (বাওঁফালে) স্থানান্তৰিত হ'লে, ভাৰসাম্য পৰিমাণ বৃদ্ধি (হ্ৰাস) আৰু ভাৰসাম্য দাম হ্ৰাস (বৃদ্ধি) হয়।
- চাহিদা আৰু যোগান দুয়োডাল ৰেখা একে দিশত স্থানান্তৰিত হ'লে, ভাৰসাম্য পৰিমাণৰ ওপৰত তাৰ প্ৰভাৱ স্পষ্ট হয় যদিও ভাৰসাম্য দামৰ ওপৰত এই প্ৰভাৱ স্থানান্তৰৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে।
- চাহিদা আৰু যোগান ৰেখা পৰস্পৰ বিপৰীত দিশত স্থানান্তৰিত হ'লে, ভাৰসাম্য দামৰ ওপৰত তাৰ প্ৰভাৱ স্পষ্ট হয় যদিও ভাৰসাম্য পৰিমাণৰ ওপৰত এই প্ৰভাৱ স্থানান্তৰৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে।
- সদৃশ প্ৰতিষ্ঠানেৰে গঠিত এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিষ্ঠানবোৰে বজাৰত মুক্তভাৱে প্ৰৱেশ আৰু প্ৰস্থান কৰিব পাৰিলে ভাৰসাম্য দাম সদায় প্ৰতিষ্ঠানৰ নিম্নতম গড় ব্যয়ৰ সমান হয়।
- প্ৰৱেশ আৰু প্ৰস্থান মুক্ত হ'লে, ভাৰসাম্য দামৰ ওপৰত চাহিদা স্থানান্তৰৰ কোনো প্ৰভাৱ নাথাকে কিন্তু ইয়াৰ ফলত ভাৰসাম্য পৰিমাণ আৰু প্ৰতিষ্ঠানৰ সংখ্যা চাহিদা স্থানান্তৰৰ দিশত পৰিৱৰ্তন হয়।
- প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থকা বজাৰৰ তুলনাত মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থকা এখন বজাৰত ভাৰসাম্য পৰিমাণৰ ওপৰত চাহিদা ৰেখা স্থানান্তৰৰ প্ৰভাৱ বেছি তীক্ষ্ণ হয়।
- ভাৰসাম্য দামৰ তলত দামৰ উচ্চতম সীমা আৰোপ কৰাৰ ফলত অতিৰিক্ত চাহিদাৰ উদ্ভৱ হয়।
- ভাৰসাম্য দামৰ ওপৰত দামৰ নিম্নতম সীমা আৰোপ কৰাৰ ফলত অতিৰিক্ত যোগানৰ উদ্ভৱ হয়।

ভাৰসাম্য
অতিৰিক্ত চাহিদা
অতিৰিক্ত যোগান
শ্ৰমৰ প্ৰান্তিক আয়মূলক উৎপাদন
শ্ৰমৰ প্ৰাপ্তিক উৎপাদনৰ মূল্য
দামৰ উচ্চতম সীমা, দামৰ নিম্নতম সীমা।

www.dailyassam



1. বজাৰ ভাৰসাম্য ব্যাখ্যা কৰা।
2. আমি কেতিয়া বজাৰত এটা সামগ্ৰীৰ অতিৰিক্ত চাহিদা থকা বুলি কওঁ?
3. আমি কেতিয়া বজাৰত এটা সামগ্ৰীৰ অতিৰিক্ত যোগান থকা বুলি কওঁ?
4. কি হ'ব যদিহে বজাৰত প্ৰচলিত দাম—
   (i) ভাৰসাম্য দামতকৈ বেছি হয়?
   (ii) ভাৰসাম্য দামতকৈ কম হয়?
5. প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থকা এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত কেনেদৰে দাম নিৰ্ধাৰণ কৰা হয় বৰ্ণনা কৰা।
6. ধৰি লোৱা যে অনুশীলনী 5-ত যি দামত ভাৰসাম্য লাভ হয়, সেই দাম বজাৰত থকা প্ৰতিষ্ঠানবোৰৰ নিম্নতম গড় ব্যয়তকৈ বেছি। এতিয়া প্ৰতিষ্ঠানবোৰৰ প্ৰৱেশ আৰু প্ৰস্থান মুক্ত কৰি দিলে বজাৰ দামৰ কেনেদৰে পৰিৱৰ্তন হ'ব?
7. বজাৰত মুক্ত প্ৰবেশ আৰু প্ৰস্থান থাকিলে এখন পূৰ্ণ প্ৰতিযোগিতামূলক প্ৰতিষ্ঠানে কি দামত যোগান ধৰিব? এনে বজাৰত ভাৰসাম্য পৰিমাণ কেনেদৰে নিৰ্ধাৰণ কৰা হয়?
8. প্ৰৱেশ আৰু প্ৰস্থানৰ অনুমতি থকা এখন বজাৰত ভাৰসাম্য প্ৰতিষ্ঠানৰ সংখ্যা কেনেদৰে নিৰ্ণয় কৰা হয়?
9. ভাৰসাম্য দাম আৰু পৰিমাণ কেনেদৰে প্ৰভাৱিত হ'ব যদি উপভোক্তাৰ আয়—
   (ক) বৃদ্ধি হয়? (খ) হ্ৰাস পায়?
10. জোতাৰ দাম বৃদ্ধিয়ে কেনেদৰে এযোৰ মোজাৰ দাম আৰু মোজাৰ ক্ৰয়-বিক্ৰয়ৰ পৰিমাণ প্ৰভাৱিত কৰে যোগান আৰু চাহিদা ৰেখা ব্যৱহাৰ কৰি দেখুওৱা।
11. কফিৰ দামৰ পৰিৱৰ্তনে কেনেদৰে চাহৰ ভাৰসাম্য দাম প্ৰভাৱিত কৰিব? এটা চিত্ৰৰ সহায়ত ভাৰসাম্য পৰিমাণৰ ওপৰত ইয়াৰ ফল ব্যাখ্যা কৰা।
12. এটা সামগ্ৰীৰ উৎপাদনত ব্যৱহৃত উপাদানৰ দামৰ পৰিৱৰ্তন হ'লে কেনেদৰে সামগ্ৰীটোৰ ভাৰসাম্য দাম আৰু পৰিমাণৰ পৰিৱৰ্তন হ'ব?
13. যদি দ্ৰব্য X-ৰ এটা বিকল্প দ্ৰব্য (Y)-ৰ দাম বৃদ্ধি হয়, তেন্তে দ্ৰব্য X-ৰ ভাৰসাম্য দাম আৰু পৰিমাণৰ ওপৰত কি প্ৰভাৱ পৰিব?
14. বজাৰত নিৰ্দিষ্ট সংখ্যক প্ৰতিষ্ঠান থকা অৱস্থাত ভাৰসাম্যৰ ওপৰত চাহিদা ৰেখা স্থানান্তৰৰ প্ৰভাৱ প্ৰৱেশ-প্ৰস্থান থকা অৱস্থাৰ সৈতে তুলনা কৰা।
15. ভাৰসাম্য দাম আৰু পৰিমাণৰ ওপৰত চাহিদা আৰু যোগান দুয়োডাল ৰেখাৰ সোঁফালে হোৱা স্থানান্তৰৰ প্ৰভাৱ চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।
16. ভাৰসাম্য দাম আৰু পৰিমাণ কেনেদৰে প্ৰভাৱিত হ'ব যদি—
   (ক) চাহিদা আৰু যোগান দুয়োডাল ৰেখা একে দিশত স্থানান্তৰিত হয়?
   (খ) চাহিদা আৰু যোগান ৰেখা বিপৰীত দিশত স্থানান্তৰিত হয়?
17. কি ক্ষেত্ৰত শ্ৰমৰ বজাৰৰ যোগান আৰু চাহিদা ৰেখা দ্ৰব্যৰ বজাৰৰ যোগান আৰু চাহিদা ৰেখাৰ পৰা পৃথক হয়?
18. এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত শ্ৰমৰ কাম্য (Optimal) পৰিমাণ কেনেদৰে নিৰ্ধাৰণ কৰা হয়?

www.dailyassam

19. এখন পূৰ্ণ প্ৰতিযোগিতামূলক শ্ৰম বজাৰত মজুৰিৰ হাৰ কেনেদৰে নিৰ্ধাৰণ কৰা হয়?

20. ভাৰতবৰ্ষত দামৰ উচ্চতম সীমা আৰোপ কৰা কোনো সামগ্ৰীৰ বিষয়ে তুমি জানানে? দামৰ উচ্চতম সীমা আৰোপণৰ ফল কেনেকুৱা হ'ব পাৰে?

21. মুক্ত প্ৰৱেশ আৰু প্ৰস্থান থকা অৱস্থাৰ তুলনাত প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰ হৈ থাকিলে চাহিদা ৰেখা স্থানান্তৰৰ প্ৰভাৱ দামৰ ওপৰত বেছি আৰু পৰিমাণৰ ওপৰত কমকৈ পৰে। ব্যাখ্যা কৰা।

22. ধৰি লোৱা যে এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত সামগ্ৰী X-ৰ চাহিদা আৰু যোগান ৰেখা হ'ল—

$q^D = 700 - p$

$q^S = 500 + 3p$ $\quad p \geq 15$-ৰ বাবে

$= 0$ $\quad 0 \leq p < 15$-ৰ বাবে

বজাৰখন সদৃশ প্ৰতিষ্ঠানেৰে গঠিত বুলি ভাবা। 15 টকাতকৈ কম যিকোনো দামত সামগ্ৰী X-ৰ বজাৰ যোগান শূন্য হোৱাৰ কাৰণ বিচাৰি উলিওৱা। এই সামগ্ৰীবিধৰ ভাৰসাম্য দাম কিমান? ভাৰসাম্য অৱস্থাত X-ৰ কিমান পৰিমাণ উৎপাদিত হ'ব?

23. অনুশীলনী 22-ৰ চাহিদা ৰেখাডাল লৈ সামগ্ৰী X উৎপাদন কৰা প্ৰতিষ্ঠানবোৰৰ মুক্ত প্ৰৱেশ আৰু প্ৰস্থান আছে বুলি ধৰা। বজাৰখন সামগ্ৰী X উৎপাদন কৰা সদৃশ প্ৰতিষ্ঠানেৰে গঠিত বুলিও ধৰি লোৱা। এখন প্ৰতিষ্ঠানৰ যোগান ৰেখা এনেদৰে দিয়া আছে—

$q_f^S = 8 + 3p$ $\quad p \geq 20$ ৰ বাবে

$= 0$ $\quad 0 \leq p < 20$ ৰ বাবে

(ক) $p = 20$ -ৰ তাৎপৰ্য কি?

(খ) কি দামত X-ৰ বজাৰ ভাৰসাম্য হ'ব? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

(গ) ভাৰসাম্য পৰিমাণ আৰু প্ৰতিষ্ঠানৰ সংখ্যা গণনা কৰা।

24. ধৰা হ'ল যে নিমখৰ চাহিদা আৰু যোগান ৰেখা এনেদৰে দিয়া আছে ঃ

$q^D = 1{,}000 - p$ $\qquad q^S = 700 + 2p$

(ক) ভাৰসাম্য দাম আৰু পৰিমাণ নিৰ্ণয় কৰা।

(খ) এতিয়া ধৰি লোৱা যে নিমখ উৎপাদনত ব্যৱহৃত এবিধ উপাদানৰ দাম বৃদ্ধি হ'ল আৰু নতুন যোগান ৰেখা হ'ল—

$q^S = 400 + 2p$

ভাৰসাম্য দাম আৰু পৰিমাণৰ কেনেদৰে পৰিৱৰ্তন হ'ব? পৰিৱৰ্তনটো তুমি আশা কৰা ধৰণে হৈছেনে?

(গ) ধৰা হ'ল যে চৰকাৰে নিমখ বিক্ৰীৰ প্ৰতি গোটৰ ওপৰত 3 টকাৰ কৰ আৰোপ কৰিলে। ই ভাৰসাম্য দাম আৰু পৰিমাণ কেনেদৰে প্ৰভাৱিত কৰিব?

25. ধৰা হ'ল যে ঘৰৰ বজাৰ নিৰ্ধাৰিত ভাড়া সাধাৰণ মানুহে বহন কৰিব নোৱাৰাকৈ উচ্চ। যদি ভাড়াৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰি চৰকাৰে ভাড়া ঘৰ বিচৰাসকলক সহায় কৰিববলৈ আগবাঢ়ি আহে, তেন্তে ভাড়াঘৰৰ বজাৰৰ ওপৰত ইয়াৰ কেনেকুৱা প্ৰভাৱ পৰিব?